অধ্যায় ২ ঃ চর্যাপদ

অধ্যায় গাঁথনি

2.1 উদ্দেশ্য

2.2 পৰিচয়

2.3 চর্যাপদৰ আঁতিগুৰি

2.3.1 চর্যাপদৰ বিষয়বস্তু আৰু দর্শন

2.3.2 চর্যাপদ আৰু অসমীয়া ভাষা

2.3.3 চর্যাপদৰ লগত দেহবিচাৰৰ গীত আৰু বৰগীতৰ সাদৃশ্য

2.3.4 চর্যাপদত প্রতিফলিত হোৱা তৎকালীন সমাজৰ চিত্র

2.3.5 চর্যাপদৰ কাব্যিক সৌন্দর্য

2.4 চর্যা নং 1ৰ মূল পাঠ, শব্দার্থ আৰু ভাবার্থ

2.5 চর্যা নং 8ৰ মূল পাঠ, শব্দার্থ আৰু ভাবার্থ

2.6 চর্যা নং 10ৰ মূল পাঠ, শব্দার্থ আৰু ভাবার্থ

2.7 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

2.8 অধিক জানিবলৈ

2.9 অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

2.10 আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- চর্যাপদৰ বিষয়বস্তু আৰু দর্শনৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব
- অসমীয়া ভাষা-সাহিত্যৰ প্রথম নিদর্শন স্বৰূপে চর্যাপদসমূহৰ বিশ্লেষণ কৰিব পাৰিব
- চর্যাপদৰ লগত দেহবিচাৰৰ গীত আৰু বৰগীতৰ সাদৃশ্য নিৰূপণ কৰিব পাৰিব
- চর্যাপদত প্রতিফলিত হোৱা সমাজখন চিহ্নিত কৰিব পাৰিব
- চর্যাপদৰ কাব্যিক সৌন্দর্য বিচাৰ কৰিব পাৰিব
- 1, 8 আৰু 10নং চর্যাৰ বিষয়বস্তু আৰু ভাববস্তু পর্যালোচনা কৰিব পাৰিব।

২.২ পৰিচয়

পূর্বৱর্তী অধ্যায়টিত আপুনি চাৰিটি অসমীয়া লোকগীত সম্পর্কে অধ্যয়ন কৰিলে। এই অধ্যায়টিত আপুনি তিনিটা চর্যাপদ (চর্যা 1, 8 আৰু 10নং)ৰ বিষয়ে অধ্যয়ন কৰিব।

চর্যাপদ সম্পর্কে ইতিমধ্যে এই ষাণ্মাসিকৰে প্ৰথম পাঠ্যবিষয়ৰ তৃতীয় অধ্যায়টিত কিছু কথা আলোচনা কৰি অহা হৈছে। তাতে উল্লেখ কৰা হৈছে যে উত্তৰ-পূব ভাৰতৰ বৌদ্ধ সিদ্ধাচার্য্য-সকলৰ দ্বাৰা ৰচিত চর্যাপদসমূহ প্ৰত্ন অসমীয়া ভাষাৰ প্ৰথম লিখিত নিদর্শন। অসমীয়াৰ লগতে সমসাময়িক বাংলা, ওডিআ, মাগধী আৰু আন মগধীয় ভাষাৰো প্ৰাচীন নিদর্শন হিচাপে বিবেচিত হোৱা চর্যাপদৰ লগত অসমীয়া ভাষাৰ সাদৃশ্য আছে। ভাষাৰ লগতে অসমীয়া লোকগীতৰ অন্যতম দেহবিচাৰৰ গীত আৰু অসমৰ ভক্তি আন্দোলনৰ বার্তাবাহক বৰগীতৰ লগতো চর্যাপদসমূহৰ সাদৃশ্য থকা দেখা যায়। এই অধ্যায়টিত সেই আলোচনাৰ প্ৰসংগত উল্লেখ নকৰা চর্যাপদৰ কেইটিমান দিশৰ বিষয়ে চমুকৈ আলোচনা কৰি পাঠ্যবিষয়ত অন্তর্ভুক্ত চর্যা তিনিটাৰ ভাৱার্থ ব্যাখ্যা কৰা হৈছে।

২.৩ চর্যাপদৰ আঁতিগুৰি

আপুনি নিশ্চয় জানে যে উদ্ভৱকালীন অসমীয়া ভাষাৰ প্ৰথম সাহিত্যিক নিদর্শন ৰূপে বিবেচিত চর্যাপদ বা গীতবোৰ তান্ত্রিক সহজযানী বৌদ্ধসকলৰ ধর্ম-সাধনৰ গীত। অকল ভাষাৰে নহয় এইবিলাক তৎকালীন অসম তথা উত্তৰ-পূব ভাৰতৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰো দলিল স্বৰূপ। 'চর্যা' শব্দটি এটা পাৰিভাষিক শব্দ। তান্ত্রিক বৌদ্ধধর্মৰ বহু শাস্ত্রত এই শব্দটিৰ উল্লেখ পোৱা যায়। তিব্বতী ভাষাত 'চর্যা' কথাটি সংস্কৃত ভাষাৰ 'আচাৰ' কথাটিৰ সমার্থক। গতিকে 'চর্যাপদ' হ'ল সহজযান ধর্মত পালন কৰিবলগীয়া বা আচৰণ কৰিবলগীয়া নীতি কথা।

চর্যাপদৰ ৰচকসকলৰ ভালেকেইজন পুৰণি কামৰূপৰ লোক। কনকলাল বৰুৱাই তেওঁৰ "Early History of Kamrupa" গ্রন্থত লুইপাদৰ লগতে তেওঁৰ সমসাময়িক দীননাথ, মচ্ছিন্দ্র নাথ বা মৎস্যেন্দ্রনাথ, সৰহপাদ, নাগার্জ্জুন, ঢেণ্ঢণপাদ, গোৰক্ষপাদ, দাড়িকপাদ, কাহ্নপাদ, ডোম্বীপাদ, ভুসুকপাদ, শান্তিপাদ, শৰৰপাদ, মহীধৰপাদ আদি তিব্বতীয় 84 সিদ্ধাচার্য্যৰ অন্তর্গত সিদ্ধাচার্য্যসকল পুৰণি কামৰূপৰ লোক বুলি উল্লেখ কৰিছে। পৰীক্ষিত হাজৰিকাই তেওঁৰ 'চর্যাপদ' নামৰ গ্রন্থখনত লোক ব্যুৎপত্তি, বিভিন্ন গ্রন্থৰ পৰা পোৱা তথ্য, চর্যাৰ ভাষা, শব্দ, শব্দ প্রয়োগৰ ঠাঁচ, ৰূপক-উপমাৰ সমাৱেশ, নীতি বচনৰ সমাৱোহ, গীত-পদৰ ৰাগ-ৰাগিণী আৰু বৈয়াকৰণিক দৃষ্টিভঙ্গীৰ ফালৰ পৰা চাই কাহ্নপাদ, ভুসুকপাদ, সৰহপাদ, লুইপাদ, শৰৰপাদ, শান্তিপাদ, ডোম্বীপাদ, ঢেণ্ঢণপাদ, মহীধৰপাদ, দাড়িকপাদ —এই কেইজনক অসমীয়া চর্যা ৰচক বুলি দেখুৱাইছে।

লুইপাদক প্ৰথম তিব্বতীয় সিদ্ধাচার্য্য বুলি অভিহিত কৰা হয়। তেওঁ পুৰণি কামৰূপৰ লোক। লোক ব্যুৎপত্তিয়ে এই কথাৰ প্রমাণ দিয়ে। লুইপাদ মানে লুইত নদী প্রবাহিত দেশ (লোহিত-লুইত)। গতিকে লুইপাদ হ'ল লুইত নদী প্রবাহিত দেশৰ লোক। তিব্বতী ঐতিহ্য মতে সিদ্ধাচার্য মীননাথৰে আন এটা নাম লুইপাদ। মীননাথ কামৰূপৰ কৈৰর্ত আছিল। তিব্বতী গ্রন্থ 'Pag Sam Jon Zan' মতে লুইপাদ কৈৰর্ত লোক আছিল। মীননাথৰ নামত *বাহ্যান্তৰ বোধিচিত-বন্ধোপদেশ* নামৰ এখন গ্রন্থ পোৱা যায়। গ্রন্থখনৰ ভাষাৰ লগত প্রাচীন অসমীয়া ভাষাৰ বহুতো মিল পৰিলক্ষিত হয়। গতিকে মীননাথ আৰু লুইপাদক একেজন লোক বুলি ধৰিলে লুইপাদ কামৰূপৰে লোক।

লুইপাদৰ নামত দুটা চর্যা পোৱা যায়— 1 আৰু 2। চর্যা দুটিৰ ভাষাৰ লগত কামৰূপী অপভ্রংশৰ মিল আছে। কাআ, চীত্র, দিঢ়, নজাই, কইসে, অহিশ, তাহেৰ আদি তেওঁৰ চর্যাত ব্যৱহৃত শব্দ পুৰণি অসমীয়া সাহিত্যতো পোৱা যায়। 'তছস্বভাৱ দোহাকোষ গীতিকা দৃষ্টি' আৰু 'লুহিপাদ গীতিকা' তেওঁ কামৰূপী অপভ্রংশত লিখা দুখনি গ্রন্থ। এইবোৰে লুইপাদক কামৰূপী লোক বুলি প্রমাণ কৰে।

কামৰূপী বুলি নির্ণয় হোৱা আন এজন চর্যা ৰচক হ'ল সৰহপাদ। তেওঁ সৰোৰুহবজ্র, পদ্মবজ্র, পদ্ম আৰু ৰাহুলভদ্র নামেৰেও পৰিচিত। তিব্বতী গ্রন্থ 'Pag Sam Jon Zan' মতে সৰহপাদ প্রাচ্যদেশৰ ৰাজ্ঞী নামে ঠাইৰ এজন ব্রাহ্মণ আৰু ডাকিনীৰ পৰা জন্ম লাভ কৰা এজন সিদ্ধাচার্য। পণ্ডিতসকলৰ মতে এই ৰাজ্ঞী বর্তমান কামৰূপৰ ৰাণী অঞ্চল। সৰহপাদৰ নামত 4টি চর্যা পোৱা যায়। চর্যাকেইটিৰ ভাষা কামৰূপী অপভ্রংশ।

দাৰিকপাদৰ নামত এটা চর্যাগীত পোৱা যায় (34নং)। চর্যাটিৰ ভাষা কামৰূপী অপভ্রংশ। ইয়াত প্রয়োগ কৰা বিলসই, অলক্ষ, দুঃখেঁ-সুখেঁ, একু, কৰিআ, ভুঞ্জই, জানী, মানী, মোহেৰা, কুলেঁ, চিত্ত, মহাসুহেঁ, পৰম আদি শব্দবোৰ পুৰণি অসমীয়া সাহিত্যত ব্যৱহৃত শব্দ। কামৰূপৰ ৰজা ইন্দ্রপালে সহজযান ধর্ম গ্রহণ কৰি দাৰিকপাদ নাম লৈছিল বুলি প্রসিদ্ধি আছে।

এওঁলোকৰ উপৰিও কাহ্নুপাদ, কুক্কুৰীপাদ, শান্তিপাদ, ভুসুকপাদ, শৱৰপাদ, ডোম্বীপাদ, ঢেণ্ঢণপাদ, মহীধৰপাদ আৰু তাড়কপাদো অসমীয়া চর্যা ৰচক। ভাষাৰ বৈশিষ্ট্যই কাহ্নুপাদক অসমীয়া বুলি প্রমাণ কৰে। তেওঁৰ গীতত ব্যৱহাৰ হোৱা বিবিহ, বান্ধন, তোড়িউ, সহজ, কৰিণা, ববিসআ, সুধ, দশদিসে বিদ্যা, নগৰ, তোহোৰ, জাই, আলো আদি শব্দৰ পুৰণি অসমীয়া সাহিত্যত প্রয়োগ আছে। ণেলা, বলাগ, পদমা, সড়ি আদি কামৰূপী ভাষাত বহুলভাৱে ব্যৱহাৰ হয়। তদুপৰি কাহ্নুপাদৰ চর্যাৰ মাজেদি প্রকাশ পোৱা সমাজৰ চিত্র, ৰীতি-নীতি, জাতি-সম্প্রদায়, বিয়া-বাৰু, বাদ্যযন্ত্র আদি অসমীয়া সমাজৰহে, অইন সমাজৰ নহয়। একেদৰে চর্যাৰ বিষয়বস্তুৰ পৰিৱেশন বৈচিত্র্য আৰু ভাষাগত বৈশিষ্ট্যলৈ চাই কুক্কুৰীপাদক পশ্চিম কামৰূপৰ লোক বুলি ধাৰণা হয়। তেওঁৰ চর্যাত কামৰূপ-কামাখ্যাপীঠত যোগাভ্যাসৰ উল্লেখ আছে। গীতত যি সামাজিক পটভূমি চিত্রিত হৈছে সেয়াও প্রাচীন কামৰূপৰ। চর্যাত প্রয়োগ হোৱা অসমীয়া সমাজৰ চিনাকি ফঁকৰা-যোজনাৰ প্রয়োগ এই ক্ষেত্রত মনকৰিবলগীয়া। তেওঁৰ গীতত ব্যৱহাৰ হোৱা 85টা শব্দৰ 45টাই অসমীয়া। এইবোৰ চালিজাৰি চাই কুক্কুৰীপাদক নিঃসন্দেহে কামৰূপৰ লোক বুলি ক'ব পাৰি।

একেদৰে শান্তিপাদ, ভুসুকপাদ, শৱৰপাদ, ডোম্বীপাদ, ঢেণ্ঢণপাদ, মহীধৰপাদ আৰু তাড়কপাদৰ চর্যাসমূহৰ ভাষাগত দিশলৈ চালে দেখা যায় যে পুৰণি অসমীয়া ভাষাৰ লগত ইবোৰৰ বহুলাংশে মিল আছে।গতিকে তেওঁলোককো পুৰণি কামৰূপৰ লোক বুলি ভাবিবৰ অৱকাশ আছে।

মন কৰিবলগীয়া কথাটো হ'ল— পুৰণি কালত তন্ত্রযান, বজ্রযান, সহজযান— সকলোৰে প্রশস্ত ক্ষেত্র আছিল কামৰূপ, বিশেষকৈ হাজো-কামাখ্যা অঞ্চল। খ্রীঃ 8ম শতিকাৰ পদ্মবজ্রৰ ৰচনা 'হেবজ্রতন্ত্র'ত চাৰিখন পৰিত্র পীঠৰ কথা উল্লেখ আছে। সেইবোৰ হ'ল— 1) জলন্ধৰ,

2) উড্ডিয়ান, 3) পূর্ণগিৰি আৰু 4) কামৰূপ। 'সাধনমালা' নামে আন এখন বৌদ্ধ গ্ৰন্থ মতে, তান্ত্ৰিক বৌদ্ধসকলৰ চাৰিখন মহাপীঠ হ'ল— কামাখ্যা, সিৰিহট্ট, পূর্ণগিৰি আৰু উড্ডিয়ান। কামাখ্যা আৰু সিৰিহট্ট প্ৰাচীন কামৰূপৰ। দুয়োখনেই 'হেবজ্ৰতন্ত্ৰ'ৰ কামৰূপ পীঠ। যোগিনীতন্ত্ৰৰ মতে কামৰূপত 'বজ্ৰযানী বৌদ্ধৰ শূণ্যবাদৰ পৰা আৰম্ভ কৰি কিৰাতৰ ক্ৰূৰ বলি-বিধান একো বাদ পৰা নাই।' আজিকালিও হাজো তীর্থ বৌদ্ধধর্মীসকলৰ পৰম তীর্থস্থান হৈ আছে। গতিকে তান্ত্ৰিক বৌদ্ধসকলে কামৰূপ পীঠত দোহা আৰু চর্যাপদসমূহ ৰচনা কৰা স্বাভাৱিক কথা। সেয়েহে চর্যাপদৰ ভাষাত কামৰূপী অপভ্ৰংশ তথা পুৰণি অসমীয়া ভাষাৰ বৈশিষ্ট্য বিৰাজমান।

আনহাতে, অসমীয়া সঙ্গীতৰ লগত চর্যাপদৰ সাদৃশ্য মনকৰিবলগীয়া। লোকগীতৰ অন্তর্গত দেহ বিচাৰৰ গীতৰ বিষয়বস্তু আৰু দর্শনৰ লগত চর্যাপদৰ সাদৃশ্য আছে। তদুপৰি পৰৱর্তী সময়ত গুৰু দুজনাই ৰচনা কৰা বৰগীতৰ আধ্যাত্মিক দিশৰ লগতো চর্যাপদৰ সাদৃশ্য দেখা যায়। বৰগীত তথা পাঁচালী গীতত ব্যৱহাৰ হোৱা ৰাগ-তালৰ সৰহখিনিয়ে চর্যাপদত ব্যৱহাৰ হোৱা ৰাগ-তাল। এই সকলোবিলাক দিশ চালি জাৰি চালে চর্যাপদক অসমীয়া ভাষা-সাহিত্য-সঙ্গীতৰ প্ৰথম লিখিত নিদর্শন বুলি ক'ব পৰা যায়।

তলত চর্যাপদৰ বিষয়বস্তু আৰু দর্শন, অসমীয়া ভাষাৰ লগত থকা মিলখিনি ফঁহিয়াই দেখুওৱাৰ লগতে এই গীতবোৰত তৎকালীন অসমীয়া সমাজৰ চিত্ৰ কেনেদৰে ফুটি উঠিছিল সেই বিষয়ে বহলাই আলোচনা কৰা হ'ব। তদুপৰি বৰগীত আৰু দেহবিচাৰৰ গীতৰ লগত চর্যাপদৰ মিল-অমিলখিনিও উদাহৰণসহ বর্ণনা কৰা হ'ব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ চর্যাপদ বুলিলে আপুনি কি বুজে? চমুকৈ লিখক। (100টা শব্দৰ ভিতৰত লিখক)

২.৩.১ চর্যাপদৰ বিষয়বস্তু আৰু দর্শন

চর্যাপদবোৰৰ বিষয়বস্তু ৰহস্যময়। এইবোৰ সহজযানী তত্ত্ব সাধনৰ উদ্দেশ্য ৰচনা কৰা হৈছিল। খ্ৰীষ্টিয় সপ্তম শতিকামানৰ পৰাই বৌদ্ধ মহাযানৰ পৰিৱর্তন ঘটি তান্ত্ৰিক মতবাদ অর্থাৎ তন্ত্ৰযানৰ উদ্ভৱ হয়। তন্ত্ৰযানৰ এটি শাখা হ'ল সহজযান। অষ্টম শতিকামানৰ পৰা সহজযান ধর্মই গা কৰি উঠে। এই ধর্মৰ মূল লক্ষ্য হ'ল নির্বাণ লাভ। বিষয় বাসনাৰ পৰা ঊর্দ্ধত থাকি সকলো বাহ্যিক ভাব বিলোপ কৰি চিত্তক শূন্যতাত প্ৰতিষ্ঠা কৰাই ইয়াৰ মূল কথা। এই শূন্যতাবোধৰ দ্বাৰাই চিত্তই নির্বাণ লাভ কৰে।

বৌদ্ধধর্মৰ মহাযানীৰ অন্তর্গত বিভিন্ন দার্শনিক সম্প্ৰদায়ৰ মতবোৰৰ ওপৰত ভিত্তি কৰিয়ে চর্যাপদৰ দার্শনিক পটভূমি গঢ় লৈ উঠিছে। চর্যাপদবোৰত এই মতবাদবোৰৰ দুটা মতবাদৰ প্ৰভাৱ পৰিলক্ষিত হয়। এটা হ'ল নাগার্জুন প্ৰৱর্তিত শূন্যবাদ বা মাধ্যমিকবাদ

আৰু আনটো হ'ল মৈত্রেয়, অসঙ্গ, বসুবন্ধু প্ৰৱর্তিত বিজ্ঞানবাদ বা যোগাচাৰ। সহজযান পন্থীসকলে কার্য সাধনক গুৰুত্ব দিয়ে। যোগাভ্যাসৰ লগতে তেওঁ ধ্যান-প্রক্রিয়াক নির্বাণ লাভৰ উত্তম পথ বুলি ভাবে। নির্বাণ মানে মহাসুখ প্রাপ্তি। সংসাৰ দুখময়, তাৰ নিবৃত্তিয়েই নির্বাণ; নির্বাণ সুখময়। এই সুখময় ভাবেই হৈছে বৌদ্ধ সহজীয়া পথ বা সহজযান। সহজযান পন্থীসকলে এই সহজ সুখ বা আনন্দকে নৈৰাত্মা দেৱী বুলি কল্পনা কৰিছে। সহজযানীসকলৰ মতে ধর্মকায়ত মিলি যোৱা মানে হ'ল নৈৰাত্মাদেৱীৰ লগত মিলি মহাশূন্যত বিলীন হৈ পৰা। ই জীৱাত্মা পৰমাত্মাৰ লগত মিলি লীন হৈ পৰা অৱস্থাৰ দৰে।

সহজযানীসকল অদ্বৈতবাদী। তেওঁলোকৰ মতে ধর্মকায়ত অধিষ্ঠিত হ'লে জগতৰ দ্বৈতভাব লোপ পায়। এই অদ্বৈত জ্ঞান লাভ কৰি মহাসুখত বিলীন হয়। এই অদ্বৈত জ্ঞান লাভ আৰু মহাসুখ প্রাপ্তিৰ উদ্দেশ্যে সাধকসকলে গুৰুৰ পৰা উপদেশ ল'ব লাগে। সেয়েহে চর্যাপদবোৰ গুৰুমুখী। গুৰুৰ অবিহনে এইবোৰৰ তাৎপর্য অনুধাৱন কৰাটো অসম্ভৱ। তদুপৰি চর্যাপদসমূহত দ্ব্যর্থক পাৰিভাষিক শব্দ, বিবিধ উপমা, ৰূপক, প্রতীকি ভাষাৰ বহুল প্রয়োগ হৈছে। তদুপৰি নির্বাণ আৰু মহাসুখ প্রাপ্তিৰ বাবে বিবিধ যোগ সাধনাৰ বিভিন্ন প্রক্রিয়া, ক্রম, অগ্রগতি সম্পর্কে গুৰুৱে সাংকেতিক ভাষাৰে সাধকক বুজাই দিয়ে। চর্যাপদবোৰত সহজযান ধর্মৰ তিনিটা দিশ স্পষ্ট হয়। সেই কেইটা হ'ল— দার্শনিক তত্ত্ব সম্পর্কীয়, যোগ সম্বন্ধীয় আৰু তন্ত্র সম্বন্ধীয়। গুৰুৱে এই সকলো দিশৰ ধ্যান-ধাৰণা সাধকক বুজাই দিয়ে। গতিকে গুৰুত শৰণ নল'লে সহজযান ধর্মৰ তত্ত্ব বুজিব নোৱাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ঃ সহজযান ধর্মৰ মূল লক্ষ্য কি? (75টা শব্দৰ ভিতৰত লিখক)

২.৩.২ চর্যাপদ আৰু অসমীয়া ভাষা

চর্যাপদৰ ভাষাৰ লগত অসমীয়া ভাষাৰ মিল আছে। ধ্বনি, ৰূপ আৰু শব্দ এই তিনিওটা দিশতে এই সাদৃশ্য পৰিলক্ষিত হয়। তলত উদাহৰণসহ আলোচনা কৰা হ'ল—

- **ধ্বনিতাত্ত্বিক সাদৃশ্য ঃ**
  - প্রাচীন অসমীয়াত 'য়'ৰ ঠাইত 'ই'ৰ ব্যৱহাৰ হোৱা দেখা যায়। যেনে— সদাই প্রসন্ন, সদাই কৰন্ত (মাধৰ কন্দলি)। চর্যাপদতো নজাই, পিবই আদিৰ প্রয়োগ আছে।
  - অসমীয়া ভাষাত দুটা 'আ' ওচৰা-ওচৰিকৈ থাকিলে প্রথম আ > অ হয়। চর্যাতো এই নিয়ম মানি চলা দেখা যায়। যেনে— চাকা > চকা, বাপা > বপা, ইত্যাদি।

- শ, ষ, স এই ধ্বনি কেইটাৰ উচ্চাৰণত অসমীয়া ভাষাত পার্থক্য নাই। চর্যাতো এই ধ্বনি কেইটাৰ এটাৰ সলনি আন এটাৰ প্রয়োগ দেখা যায়। যেনে— শবৰ, সবৰ, ষবৰালী।

➢ **ৰূপতাত্ত্বিক সাদৃশ্য ঃ**

- অসমীয়া ভাষাত প্রথমা বিভক্তিৰ-এ, দ্বিতীয়াৰ-ক, চতুর্থীত-লৈ, ষষ্ঠীৰ-ৰ আৰু সপ্তমীৰ চিন-ত প্রয়োগ হয়। চর্যাপদতো এই চিনবোৰৰ প্রয়োগ আছে। যেনে— কুম্ভীৰে খাঅ, ঠাকুৰক পৰিনিবিতা, মেৰু শিখৰ লই (লৈ), হৰিণীৰ নিলঅ, হাড়ীত ভাত নাই।
- অসমীয়া ভাষাত অসমাপিকা ক্রিয়া বুজাবলৈ 'ই' ব্যৱহাৰ হয়। চর্যাতো ইয়াৰ প্রয়োগ আছে। যেনে— চুম্বি, গই, দেখি।
- অসমীয়াৰ স্ত্রী প্রত্যয় 'ঈ' আৰু 'নী'ৰ ব্যৱহাৰ চর্যাপদতো আছে। যেনে-শুশিনী, শিআলী।
- অসমীয়া ভাষাত 'ইলো' ক্রিয়া বিভক্তিৰ সহায়ত প্রথম পুৰুষৰ অতীত কাল বুজোৱা হয়। চর্যাপদতো ইয়াৰ প্রয়োগ আছে। যেনে— আচ্ছিলোঁ।
- অসমীয়া ভাষাৰ দৰে চর্যাপদৰ ভাষাতো ভৱিষ্যৎ কালৰ ক্রিয়া বিভক্তি 'ইব' আছে। যেনে— কৰিব নিবাস।

➢ **শব্দগত সাদৃশ্য ঃ** চর্যাপদৰ ভাষাত প্রয়োগ হোৱা ভালেমান শব্দৰ অসমীয়া ভাষাৰ শব্দৰ লগত মিল আছে। চর্যাপদৰ শব্দবোৰৰ লগত মান্য অসমীয়া আৰু নামনি অসমৰ কথিত ৰূপৰ সাদৃশ্য মনকৰিবলগীয়া। তলত কেতবোৰ শব্দ উল্লেখ কৰা হ'ল— দুআৰ, বাপ, হাক, বপা, ডাল, ভতাৰ, তেন্তেলি, হৰিণী, বাপুড়া, গেল, অনুভৰ, ঘন, গম্ভীৰ, বাম, মহাসিদ্ধি, শিখৰ, হেৰ, পৰস, পদমা, থিৰ, দাপণ, দাহিন, ধনি, ৰূপা, সোণ, ভিড়ি, ধুনি, আলো, আখি, ইত্যাদি।

২.৩.৩ চর্যাপদৰ লগত দেহবিচাৰৰ গীত আৰু বৰগীতৰ সাদৃশ্য

পুৰণি অসমত প্রচলিত বিভিন্ন গীতৰ লগতো চর্যাপদৰ মিল বিচাৰি পোৱা যায়। চর্যাত ব্যৱহৃত বহুতো ৰাগ সেই সময়ৰ কামৰূপত প্রচলিত আছিল। এই ৰাগসমূহৰ ভিতৰত পটমঞ্জৰী, ধনসী, কামোদ, মালসী, গুঞ্জৰী, মল্লাৰী, ভৈৰৱী, ৰামক্রী, শৰৱী অন্যতম। এই ৰাগসমূহ কেতিয়াবা একেদৰে আৰু কেতিয়াবা কিছু পৰিমাণে পৰিৱর্তন হৈ বৰগীত আৰু ওজাপালিত প্রয়োগ হৈছিল। বৰগীতৰ দৰে ওজাপালিতো বিভিন্ন ৰাগ গোৱাৰ পৰম্পৰা আছিল। পুৰণি সঙ্গীতৰ ভিতৰত বৰগীত আৰু ওজাপালিতো বিভিন্ন ৰাগ গোৱাৰ পৰম্পৰা আছিল। পুৰণি সঙ্গীতৰ ভিতৰত বৰগীত আৰু ওজাপালিৰ বাহিৰেও পীতাম্বৰ কবি, মনকৰ, দুর্গাবৰ আদি পাঁচালী কবিসকলৰ ৰচনাত— অহিৰ,

পটমঞ্জৰী, আকাশ মণ্ডলি, বাড়ীড়, ভাটিয়ালী, বেলোৱাৰ, চালনী, দেৱজিনি, ধনশ্রী, মালৰী, ধনশ্রী নাগ, নাট আদি ৰাগৰ প্রয়োগ দেখা যায়।

- **চর্যাপদ আৰু দেহবিচাৰৰ গীত ঃ** অসমীয়া লোকগীতৰ আধ্যাত্মিক ভাবাপন্ন গীতসমূহ হ'ল দেহবিচাৰৰ গীত। গীতসমূহত বিশেষ ধর্মতত্ত্বৰ ব্যাখ্যা নাই যদিও এইবোৰ প্রতীকধর্মী তত্ত্বগধুৰ গীত। চর্যাপদৰ লগত এই শ্রেণীৰ গীতৰ মিল দেখা যায়। গীতবোৰৰ মাজেদি প্রতীক, চিত্র আৰু ৰূপকৰ দ্বাৰা শৰীৰ, সংসাৰ, জীৱাত্মা-পৰমাত্মা আদি দার্শনিক তত্ত্ব প্রকাশ পাইছে।এই গীতসমূহৰ আধ্যাত্মিক তত্ত্বৰ লগত চর্যাৰ ধর্মতত্ত্বৰ বহুতো মিল দেখা যায়। বিষয়বস্তু, ভাব আৰু উদ্দেশ্যৰ ফালৰ পৰাও চর্যাপদৰ লগত দেহবিচাৰৰ গীতৰ মিল আছে। চর্যাৰ নিচিনাকৈ দেহবিচাৰৰ গীততো নানা প্রতীকৰ সহায়ত তত্ত্ব প্রকাশ পাইছে।

  দেহবিচাৰৰ গীতৰ দৰে চর্যাতো সংসাৰৰ জ্বালা-যন্ত্রণা বা পার্থিৱ দুর্গতিৰ পৰা হাত সাৰিবৰ উপায় দিয়া হৈছে। দেহ বিচাৰৰ গীতৰ দৰে চর্যাগীতসমূহতো দেহৰ অনিত্যতাৰ বিষয়ে স্পষ্ট ইঙ্গিত দিয়া হৈছে—

  অপণে ৰচি ৰচি ভৱ নিৰাণা।
  মিছেঁ লোঅ বন্ধাৰত্র অপণা।।
  অন্তে নজাণহুঁ অচিন্ত জোই।
  জাম মৰণ ভৱ কইসন হোই।। —চর্যা নং 22

  অ ভাই, অসাৰ মানৰী জনম ৰে..... ।।
  অসাৰ জগত আৰু মুকুতি অসাৰ।
  মিছাতেই নৰে বান্ধে সংসাৰ অপাৰ।।
  আমি মুঢ়মতি প্রভু অলায়ক যোগী।
  জনম মৰণ পক্ষী কেনে ফুৰে ভ্রমি।। (দেহবিচাৰৰ গীত)

  দেহ বিচাৰৰ গীতবোৰৰ মাজেদি সহজযান, শৈৱ, বৈষ্ণৱ আদি দার্শনিক তত্ত্ব বিচাৰি পোৱা যায়। এই গীতসমূহত সহজযান পন্থাৰ প্রভাৱো বিদ্যমান—

  অথিৰ চিতৰ নৌকা কাণ্ডাৰী বিহীন।
  প্রবেশিয়া মহাকাল মাৰে চিন ভিন।।
  গুৰু বোলে সাৱধানে ধৰা তাৰ কাছী।
  কোন খাটে নৌকা যাব লোৱা সুধি পুছি।।

  চর্যাত যেনেদৰে গুৰুৰ উপদেশ বিনে তত্ত্বকথা বুজা অসম্ভৱ বুলি কোৱা হৈছে, এনেদৰে দেহবিচাৰৰ গীততো গুৰুক প্রাধান্য দিয়া হৈছে। এনেদৰে বিচাৰ কৰিলে দেহবিচাৰৰ গীত আৰু চর্যাপদৰ উদ্দেশ্য, বিষয়বস্তু, দার্শনিক তত্ত্ব আদিৰ দিশত ভালেমান মিল চকুত পৰে।

➢ **চর্যাপদ আৰু বৰগীত ঃ** চর্যাপদ আৰু বৰগীতৰ মাজত বহু ক্ষেত্রত সাদৃশ্য পৰিলক্ষিত হয়। এই দুয়ো শ্রেণীৰ গীত আধ্যাত্মিক গীত। বৰগীতসমূহৰ দর্শন, ভাষা, বিষয়বস্তু আদিলৈ লক্ষ্য কৰিলে চর্যাপদৰ লগত মিল পৰিলক্ষিত হয়। বৰগীতৰ মাজত পৰমার্থ বিষয়ক গীত বহু পৰিমাণে দেখা যায়। এই মায়াময় সংসাৰত ভক্তিয়েই যে প্রধান সেয়া পৰমার্থ বিষয়ক গীতসমূহত ধ্বনিত হৈছে। গীতসমূহৰ মাজেদি ব্রহ্মৰ স্বৰূপ, সংসাৰৰ অনিত্যতা, জীৱাত্মা-পৰমাত্মাৰ সম্পর্কে আদি তত্ত্বসমূহৰ প্রকাশ ঘটিছে। চর্যাপদসমূহতো একে ধৰণৰ বিষয়ে স্থান পাইছে।

দুই-এটি চর্যাৰ বিষয়বস্তু আৰু তত্ত্বৰ সৈতে বৰগীতৰ সাদৃশ্য দেখা যায়। তলত কেইটামান উদাহৰণ দাঙি ধৰা হ'ল—

এ ভৱ গহন বন আতিমোহ পাশে ছন্ন
তাহে হামু হৰিণা বেড়াই।
ফান্দিলো মায়াৰ পাশে কাল ব্যাধে ধায়া মাসে
কাম-ক্রোধ কুত্তা খেদি খাই।।
হৰাইলো চেতন হৰি নাজানো কিমতে তৰি
গুণিতে দগধ ভেলি জীৱ।
লোভ মোহ দুয়ো বাঘ সততে নছাড়ে লাগ
ৰাখু ৰাখু ৰাখু সদাশিৱ।। (বৰগীত ঃ শঙ্কৰদেৱ)

গীতটিৰ লগত সাদৃশ্য থকা চর্যাটি হ'ল ভুসুকপাদৰ নিম্নোক্ত চর্যাটি—

কাহৈৰি ঘিনি মেলি অচ্ছহু কীস।
বেঢ়িল হাক-পড়অ চৌদীস
অপনা মাংসেঁ হৰিণা বৈৰী।
খনহ নছাড়অ ভুসুক অহেৰী।।
তিণ নছুপই হৰিণা পিবই ন পাণী।
হৰিণা হৰিণিৰ নিলঅ নজাণী।। ইত্যাদি।

দাৰিকপাদৰ 34নং চর্যাৰ ধর্ম-চর্চাৰ পথ আৰু তত্ত্বকথাৰ সৈতে শঙ্কৰদেৱৰ আন এটি বৰগীতৰ সাদৃশ্য দেখা যায়।দাৰিকপাদে চর্যাটিত কৈছে যে নির্বাণ লাভৰ অর্থে তন্ত্র-মন্ত্র, যাগ-যজ্ঞ আচৰণ কৰা মিছা; তাৰ পৰিৱর্তে সহজযানী পন্থাহে অধিক সুফল প্রদায়ক—

কিন্তো মন্তে কিন্তো তন্তে কিন্তো ৰে ঝনবখানে।
অপইঠান মহাসুহলীলে দুলখ পৰম নিবাণে।।
দুঃখেঁ সুখেঁ একু কৰিআ ভুঞ্জই ইন্দী জানী।
স্বপৰাপৰ ন চেবই দাৰিক সঅলানুত্তৰ মাণী।।

শঙ্কৰদেৱেও বৰগীতত কৈছে—

তিৰীথ বৰত তপ জপ যাগ যোগ যুগুতি।
মন্ত্র পৰম ধৰম কৰম কৰত নাহি মুকুতি।।
মাতু পিতু পতনি তনয় জনয় সব মৰণা।
চাৰহু ধন্ধ মালস অন্ধ ধৰতু হৰি চৰণা।।
কৃষ্ণ কিঙ্কৰ শঙ্কৰ কহ বিচুৰি বিস্ময় কামা।
ৰামা চৰণে লেহ সৰন জপ গোবিন্দক নামা।। ইত্যাদি

অৱশ্যে চর্যা আৰু বৰগীতৰ অন্তর্নিহিত ধর্ম ভিন্ ভিন্ হোৱাৰ কাৰণে তত্ত্বমূলক সাদৃশ্য থাকিলেও ইয়াৰ প্রতিপাদ্য বিষয় সুকীয়া হৈছে। চর্যাত ব্যৱহৃত ভালেমান শব্দ বৰগীততো হুবহু ৰূপত প্রয়োগ কৰা হৈছে। মন কৰিবলগীয়া কথা যে বৰগীতত উল্লেখ কৰা সৰহ সংখ্যক ৰাগেই চর্যাপদত বিদ্যমান।তলত কেইটামান ৰাগৰ নাম উল্লেখ কৰা হ'ল।

চর্যাৰ ৰাগ— পটমঞ্জৰী, ভৈৰৱী, ধনশ্রী, কামোদ, ভঞ্জৰী, বৰাড়ী, শৱৰী, মল্লাৰী, মালশী, গউড়, ইত্যাদি।

বৰগীতৰ ৰাগ— কামোদ, কেদাৰ, মৌ, গৌৰী, ধনশ্রী, বৰাড়ী, বসন্ত, মল্লাৰ, ৰামগিৰি, ভাটিয়ালী, শ্রীগান্ধাৰ, সুহাই, ভূপালী, বেলোৱাৰ,সিন্দুৰা, নাটমল্লাৰ, কানাড়া, কল্যাণ, শ্রী, মাহুৰ, শ্যাম, তুৰ-বসন্ত, আশোৱাৰী, অহিৰ, ললিত, মাউৰ, ইত্যাদি।

২.৩.৪ চর্যাপদত প্রতিফলিত হোৱা তৎকালীন সমাজৰ চিত্র

চর্যাপদত তৎকালীন সমাজৰ চিত্র সুন্দৰভাৱে চিত্রিত হৈছে। এই সমাজখন আছিল মূলতঃ কৃষি ভিত্তিক নিম্ন শ্রেণীৰ লোক সমাজ। উচ্চ শ্রেণীৰ ব্রাহ্মণক ইয়াত ৰূপকৰ ছলেৰেহে উপস্থাপন কৰা হৈছে। চর্যাকাৰসকলে এই পদসমূহ ৰচনা কৰোঁতে সমাজৰ ডোম, হাড়ী, শুড়ী, তাঁতী, ছণ্ডাল, শৱৰ, যোগী, কাপালিক, ব্যাধ, সুতাৰ সোণাৰী, নট, ভাট, কুমাৰ আদি বৃত্তিধাৰী সম্প্রদায়ৰ লোকক ৰূপক বা উপমা ৰূপে ব্যৱহাৰ কৰি গধুৰ তত্ত্বৰ ব্যাখ্যা কৰিছে।

চর্যাকালীন সমাজখনত নানা ৰীতি-নীতিৰ প্রচলন আছিল। তপ, জপ, যাগ-যজ্ঞ, পূজা-পাতলৰ ব্যৱস্থা আছিল।সমাজত জাতিভেদ প্রথাৰো প্রচলন আছিল। চর্যাপদত থকা ব্রাহ্মণ, ডোম, হাড়ী, তাঁতী, চণ্ডাল, শৱৰ, যোগী, কাপালিক, সুতাৰ, সোণাৰী, কুমাৰ আদিয়ে এই কথাৰ প্রমাণ দিয়ে। কাপালিক, যোগী আৰু কুলীনসকলৰ সমাজত বিশেষ স্থান আছিল। উচ্চ শ্রেণীৰ জাতিয়ে নিম্ন শ্রেণীৰ জাতিক অস্পৃশ্য জ্ঞান কৰাৰ কথাও চর্যাসমূহৰ মাজেদি প্রকাশ পাইছে। সেই সমাজত তুলা-ধুনা, তাঁত বোৱা আদি কার্য্যৰ প্রচলন আছিল।

সমাজৰ লোকসকলে লোকাচাৰ মানি চলাৰ কথাও চর্যাবোৰৰ পৰা গম পোৱা যায়। শ দাহ কৰাৰ প্রথা, বিবাহ-ব্যৱস্থাৰ প্রচলন, বিয়াত বাদ্যযন্ত্র বজাই শোভাযাত্রা

কৰাৰ কথাও চর্যাবোৰৰ পৰা জনা যায়। সমাজত নৃত্য-গীত, বাদ্যযন্ত্ৰৰ প্ৰচলন থকাৰ কথাও চর্যাবোৰৰ মাজেৰে গম পোৱা যায়। তদুপৰি চর্যাবোৰত পটহ, মাদল, দুন্দুভি, ডম্বৰু, বীণা আদি বাদ্যযন্ত্ৰবো উল্লেখ পোৱা যায়। অলঙ্কাৰ-পাতি, যেনে— দাপন, মুক্তাৰ হাৰ, কুণ্ডল আদি, খাদ্যবস্তুৰ ভিতৰত ভাত, তামোল, কর্পূৰৰ লগতে ৰাগিয়াল বস্তু সেৱনৰ প্ৰচলন থকাৰ কথাও চর্যাত লিপিবদ্ধ আছে। কাঠ, বাঁহৰ প্ৰচলনৰ কথাও চর্যাবোৰৰ পৰা জানিব পাৰি।

চর্যাপদত চিত্ৰিত হোৱা সমাজখনৰ লগত অসমীয়া সমাজখনৰ মিল দেখা যায় বুলি ইতিমধ্যে উল্লেখ কৰা হৈছে। উদাহৰণ স্বৰূপে, চর্যাত ব্যৱহৃত হোৱা কুম্ভীৰ, কাছু, তেতেলি, শহুৰ, বোৱাৰী, ভাত, তামোল, খাট আদি শব্দই চর্যাপদসমূহক অসমীয়া সমাজৰ নিচেই ওচৰ চপাই দিয়ে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ চর্যাত কোন শ্ৰেণীৰ সমাজৰ ছবি প্ৰতিফলিত হৈছে? (150টা শব্দৰ ভিতৰতলিখক।)

২.৩.৫ চর্যাপদৰ কাব্যিক সৌন্দর্য্য

চর্যাপদৰ ভাষা সাংকেতিক যদিও চর্যাকাৰসকলে পার্য্যমানে সাধাৰণ শ্ৰেণীৰ লোকৰ ভাষাৰ ওচৰ চপাই দিবলৈ চেষ্টা কৰিছিল। তত্ত্ব কথাসমূহ সহজবোধ্য কৰিবলৈ তেওঁলোকে উপমা-ৰূপকৰ সহায় লৈছিল। তেওঁলোকৰ লক্ষ্য আছিল তত্ত্ব ৰহস্য প্ৰকাশ কৰা । ৰূপকৰ মাধ্যমত তত্ত্ব কথা স্পষ্ট হয় আৰু ইন্দ্ৰিয় জগতৰ বোধগম্য হৈ পৰে। সেই কাৰণে চর্যাকাৰসকলে দুর্বোধ্য তত্ত্ব বুজাবলৈ বস্তু জগতৰ পৰা, সর্বসাধাৰণৰ দৈনন্দিন জীৱনৰ ক্ৰিয়া-কার্যৰ অভিজ্ঞতাৰ পৰা বিবিধ ৰূপক গ্ৰহণ কৰিছে। এই তত্ত্ব আৰু উপমা, ৰূপক আদি অলঙ্কাৰৰ প্ৰৱাহতেই চর্যাপদৰ কাব্যিক সৌন্দর্য্য ফুটি উঠিছে।

চর্যাৰ ৰচকসকলৰ ভিতৰত শৱৰপাদৰ দুটি চর্যাত কাব্যিক সৌন্দর্য অধিক দেখা যায়। দুয়োটা চর্যাতে মানবীয় অনুভূতি উপলব্ধি হয়। 28নং চর্যাৰ শাৰীবোৰত কবিৰ ৰূপাত্মক চিন্তাৰ বৈচিত্ৰ্য আৰু শব্দ ব্যঞ্জনা অতি মনোৰম। ময়ূৰৰ পাখিৰে শৱৰীয়ে প্ৰেম মিলনক উদ্বেলিত কৰাৰ অভিলাস এক মধুৰ কল্পনা। আনহাতে, হৃদয়-অনুভূতিৰ এই উদ্দামতা শৱৰৰ ব্যৱহাৰত স্পষ্ট হৈ পৰিছে। লগতে সেই দৈহিক মিলনৰ পটভূমিত অনুকূল প্ৰাকৃতিক পৰিৱেশৰসংস্থাপনে কবি মনৰ সৌন্দর্য্য চেতনাৰ পৰিচয় দিছে। কুসুমিত তৰুৰাজি, মৃদুল মলয়া আৰু সুনীল আকাশৰ মধুৰপৰিৱেশে শৱৰ-শৱৰীৰ মিলন-শয্যাৰ ওপৰত চন্দ্ৰতাপ তৰি দিছে।

শৰৰপাদৰ 50নং চর্যাটিত কবি মনৰ ৰমনীয়তা সুন্দৰভাৱে প্রকাশ পাইছে। প্রেমিক শৰৰ আৰু প্রেমিকা শৰৰীৰ বর্ণনা দিবলৈ গৈ কবিয়ে এক চমৎকাৰ কল্পনাৰ প্রয়োগ কৰিছে। ওখ পর্বতৰ শিখৰত ঘৰ, চাৰিওফাল কপাহ ফুলেৰে আবৃত। আকাশত পুর্ণ চন্দ্র, পৃথিৱীত তাৰ পোহৰ লগতে মৃদু মলয়া বতাহ আৰু পকা কংগুচিনা ফলৰ গোন্ধ, ইয়াৰ মাজতেই প্রেমিক-প্রেমিকা থাকে। এই বর্ণনা অতিশয় মধুৰ। কবিৰ কল্পনাও অতি মনোৰম হৈছে। কবিয়ে ইয়াত প্রাকৃতিক সৌন্দর্য্যৰ চিত্রণ আৰু ব্যক্তিপ্রেমৰ নিদের্শনাৰ দ্বাৰা গূঢ়তত্ত্ব ব্যাখ্যা কৰিছে। এই কথা মঞ্জু চক্রৱর্তী আৰু কৰৱী ডেকা হাজৰিকাই লিখা *চর্যাপদ আৰু বৰগীত* পুথিত সুন্দৰভাৱে বিশ্লেষিত হৈছে।

কোনো কোনো চর্যাত ভাবচিত্রৰ প্রয়োগ দেখা পোৱা যায়। এই ক্ষেত্রত উল্লেখ কৰা ভাল যে চর্যাপদবোৰ অকল ৰূপক-উপমা, ভাবচিত্র আদিৰে চমৎকৃত হোৱা নাই, সেইবোৰত ছন্দ আৰু অলঙ্কাৰৰ প্রয়োগেও মনোহাৰিত্ব প্রদান কৰিছে। তদুপৰি এইবোৰত কাব্যৰসৰ আস্বাদনো ক্ষীণভাৱে হ'লেও পোৱা যায়।

- **চর্যাপদৰ অলঙ্কাৰ ঃ** চর্যাপদৰ বিষয়বস্তু জটিল। কিন্তু এই জটিল বিষয়সমূহে চর্যাকাৰসকলে অলঙ্কাৰাদিৰ প্রয়োগৰ সহায়ত অতি সৰল ৰূপত উপস্থাপন কৰিছে। চর্যাপদত বিবিধ অলঙ্কাৰৰ প্রয়োগ হৈছে যদিও ব্যাজ্যোক্তি, উৎপেক্ষা, উপমা আৰু ৰূপক এই চাৰিবিধ অলঙ্কাৰৰ প্রাধান্য লক্ষ্য কৰা যায়। ব্যাজ্যোক্তি অলঙ্কাৰৰ লক্ষণ হ'ল কোনো গোপন তত্ত্ব প্রকাশ পালেও ছল কৰি তাক পুনৰাই গোপনীয় কৰা। উদাহৰণ স্বৰূপে লুইপাদৰ 1নং চর্যাটোলৈ আঙুলিয়াব পাৰি। যেনে—

কাআ তৰুবৰ পঞ্চ বিডাল।
চঞ্চল চীএ পইঠো কাল।।

ইয়াৰ অর্থ হ'ল পঞ্চ ইন্দ্রিয়যুক্ত মানৰ শৰীৰ চিত্ত চঞ্চল হ'লে ৰিপুৱে সহজে তাত প্রবেশ কৰে। এই কথাখিনি গোপনে ৰখাৰ বাবে পাঁচটা ডালযুক্ত গছৰ (কাআ তৰুবৰ) প্রসঙ্গ উপস্থাপন কৰিছে। ফলত ব্যাজ্যোক্তি অলঙ্কাৰৰ সৃষ্টি হৈছে। এনেদৰে আন আন চর্যাতো এইবিধ অলঙ্কাৰৰ প্রয়োগ দেখা যায়।

দুটা বস্তুৰ মাজত প্রৱল সাদৃশ্য থাকিলে উপমেয়ক উপমান বুলি প্রতীয়মান কৰাকে উৎপ্রেক্ষা অলঙ্কাৰ বোলা হয়। চর্যাপদত উৎপ্রেক্ষা অলঙ্কাৰৰ বহুল প্রয়োগ দেখা যায়। ওপৰত উল্লেখ কৰা চর্যাটোত উৎপ্রেক্ষা অলঙ্কাৰৰ প্রয়োগ হৈছে। ইয়াত 'কাআ' হ'ল উপমেয় আৰু 'তৰু' হ'ল উপমান; কিন্তু 'পঞ্চ বি ডাল' উপমানৰ লগত যোগ হোৱাত উপমেয়ক উপমান বুলি ধাৰণা জন্মিছে। চর্যা নং 8, 9, 14, 49 আদিত উৎপ্রেক্ষা অলঙ্কাৰ প্রয়োগ দেখা যায়। যেনে—

সোণে ভৰিলী কৰুণা নাৱী।
ৰূপা থোই নাহিকে ঠাৱী।।

চর্যাপদসমূহত উপমা অলঙ্কাৰৰপ্ৰয়োগ উভৈনদী।এটা বস্তুৰ লগত আন এটা বস্তুৰ তুলনাৰ জৰিয়তে উপমা অলঙ্কাৰৰ সৃষ্টি হয়। লুইপাদৰ 1নং চর্যাত শৰীৰক গছৰ লগত তুলনা কৰাৰ ফলত উপমা অলঙ্কাৰৰ সৃষ্টি হৈছে। আন আন চর্যাবোৰত ভৰক নইৰ লগত, মোহ-তৰু, কৰুণা-নাৰী, মন-পবন, কাঅ-নাৱড়ি, মণ-চকডুআল, মণ-তৰু, ইত্যাদি তুলনাৰ যোগেদি উপমা অলঙ্কাৰৰ প্ৰয়োগ লক্ষ্য কৰা যায়।

চর্যাপদত যথেষ্ট পৰিমাণে প্ৰয়োগ হোৱা আন এবিধ অলঙ্কাৰ হ'ল ৰূপক। উপমান আৰু উপমেয়ৰ লগত অভেদ ধাৰণা জন্মিলে ৰূপক অলঙ্কাৰৰ সৃষ্টি হয়। চর্যাকাৰসকলে ৰূপকৰ সহায়ত সহজীয়া তত্ত্ব ব্যাখ্যা কৰিছে। উদাহৰণ স্বৰূপে কুক্কুৰীপাদৰ 2নং চর্যাটি আলোচনা কৰিব পাৰি—

দুলি দুলি পিটা ধৰণ নজাই।
ৰুখেৰ তেন্তলি কুম্ভীৰে খাঅ।।

ইয়াত তেন্তলি শব্দই বোধিচিত্তক বুজাইছে। কুম্ভীৰ শব্দই কুম্ভক যোগক বুজাইছে। কুম্ভক যোগৰ দ্বাৰা বোধিচিত্ত অর্থাৎ সহজানন্দ লাভ কৰিব পাৰি। এই 2নং চর্যাটিত চর্যাকাৰ কুক্কুৰীপাদে চুলি, পিটা, তেঁতেলি, কুম্ভীৰ, চোৰ, শহুৰ, বোৱাৰী, কাণৰ অলঙ্কাৰ আদিৰ আলমতো ৰূপক সৃষ্টি কৰিছে।

আন চর্যাসমূহতো হৰিণা, কুম্ভীৰ, নাও, হাতী, দবাখেল আদি ৰূপকৰ দ্বাৰা চর্যাকাৰসকলে গূঢ়ার্থ ব্যাখ্যা কৰিবলৈ চেষ্টা কৰিছে।

ওপৰত উল্লেখ কৰা অলঙ্কাৰ চাৰিবিধৰ উপৰিও বিৰোধ, সমাসোক্তি, স্বভাৱোক্তি আদি অন্যান্য অর্থালংকাৰ আৰু অনুপ্রাস, শ্লেষ, বক্রোক্তি আদি শব্দালঙ্কাৰৰ প্ৰয়োগো চর্যাপদসমূহত মন কৰা যায়।

- **ছন্দ আৰু ৰস ঃ** চর্যাপদত তিনিবিধ মুখ্য ছন্দৰ প্ৰয়োগ হৈছে। সেইকেইটা হ'ল পাদাকুলক, দোহা আৰু চউপইআ। পাদাকুলক ছন্দৰ বিন্যাস ক্ৰমৰ কোনো নিয়ম নাথাকে, পঢ়িবলৈ যেনেকৈ ভাল লাগে তেনেকৈয়ে লিখা হয়। যথা—

দুলি দুহি। পি-টা।। ধৰণ ন। জা-ই-।
ৰুখে-ৰ। তে-ন্তেলি।। কুম্ভীৰে। খা-অ-।।

চর্যাটি 4+4+4+4 সজ্জাত ৰচিত। উচ্চাৰণ মাজে মাজে প্ৰসাৰিত হৈছে। কেতিয়াবা কেতিয়াবা সঙ্কোচিত হোৱাও পৰিলক্ষিত হয়। ইয়াত দীর্ঘ স্বৰৰ হ্ৰস্ব উচ্চাৰণো পোৱা যায়। যেনে— কুম্ভিৰে।

পাদাকুলকৰ আন এটা লক্ষণ হ'ল উচ্চাৰণৰ শিথিলতা। প্ৰত্যেকটো চর্যাতে ইয়াক দেখা যায়। চর্যাপদৰ পাদাকুলক ছন্দৰ এটা বিশেষ বৈশিষ্ট্য হ'ল দীর্ঘতৰ পংক্তিৰ প্ৰয়োগ। যেনে— লুইপাদৰ 1নং চর্যাৰ সপ্তম পংক্তিটি— 'এ-ড়ি এ-উ ছা-ন্দক বা-ন্ধ। চর্যাপদসমূহত দোহা আৰু চউপঈ ছন্দৰ প্ৰয়োগ মনকৰিবলগীয়া। একেটা চর্যাতে দুয়ো প্ৰকাৰৰ ছন্দৰ প্ৰয়োগো দেখিবলৈ পোৱা যায়। দোহা ছন্দৰ সজ্জা হ'ল 6+6 অথবা 6+5। যেনে—

কাআ তরুবর পঞ্চ বিডাল।

চঞ্চল চীএ পইঠো কাল।। (1নং চর্যা)

আনহাতে, চউপঈ ছন্দত 14 অক্ষৰ থাকে। অক্ষৰৰ হীন-ডেঢ়ি চর্যাপদত মন কৰা যায়। অক্ষৰৰ শিথিলতা দোহা অথবা চউপঈ ছন্দৰ অন্যতম বৈশিষ্ট্য, বিশেষকৈ চর্যাপদত। চউপঈ ছন্দৰ উদাহৰণ—

নিতে নিতে ষিআলা঩ষিহে যম জুঝঅ।

ঢেণ্ঢন পাএৰ গীত঩বিৰলেঁ বুঝঅ।।

আৰু

নগৰ বাহিৰি ৰে ডোম্বি঩ তোহোৰি কুড়িআ।

ছই ছোই যাই সো঩বাহ্ম নাড়িআ।। (চর্যা–10)

উপর্যুক্ত ছন্দ তিনিটাৰ বাহিৰেও চউপইআ ছন্দৰে দীর্ঘ ত্রিপদী, 8+10 সজ্জাৰ দীর্ঘ দ্বিপদী আৰু 8+8+8 সজ্জাৰ হ্রস্ব ত্রিপদী ছন্দৰ প্রয়োগো চর্যাপদত পোৱা যায়। এনে চউপইআ ছন্দক পয়াৰ ছন্দ বুলিও কোৱা হয়। ইয়াৰ বাহিৰেও ঝুনা আৰু ভটিমা ছন্দৰ প্রয়োগো চর্যাপদত পৰিলক্ষিত হয়।

চর্যাপদসমূহত হাস্য, ব্যঙ্গ, শৃঙ্গাৰ আদি ৰসৰো প্রকাশ ঘটিছে। যেনে—

আলো ডোম্বি তোএ সম কৰিবে ম সাঙ্গ।

নিঘিণ কাহ্ন কাপালি জোই লাঙ্গ।।(10নং)

ইয়াত যুৱতী ডোম্বীক পাবলৈ কাহ্নুৰ মন উতলা হৈছে। ইয়াৰ দ্বাৰা প্রকৃততে ধর্মতত্ত্ব ব্যাখ্যা কৰা হৈছে যদিও বাহ্যিক দৃষ্টিত ই শৃঙ্গাৰ ৰসাত্মক। একেদৰে 4নং চর্যা আৰু 28নং চর্যাতো শৃঙ্গাৰ ৰসৰ প্রাদুর্ভাৱ দেখিবলৈ পোৱা যায়। কুক্কুৰীপাদৰ 2নং চর্যাত হাস্যৰসৰ প্রয়োগ দেখা যায়। যেনে—

দিৱসই বহুড়ী কাড়ই ডৰে ভাঅ।

ৰাতি ভইলে কামৰু জাঅ।।

অর্থাৎ দিনত বোৱাৰীয়ে (সংসাৰলৈ) ভয় কৰে, কিন্তু ৰাতি হ'লে (কামনা চৰিতার্থ কৰিবলৈ) কামৰূপলৈ যায়। চর্যাটিৰ ব্যাঙ্গ্যাত্মক অর্থই হাঁহিৰ খোৱাক যোগায়। এনেদৰে চর্যাপদসমূহৰ মাজেৰে বিভিন্ন ৰসৰ আভাস পাব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং 8 ঃ চর্যাপদত ব্যৱহৃত অলঙ্কাৰ সন্দর্ভত এটি টোকা প্রস্তুত কৰক। (75টা শব্দৰ ভিতৰতলিখক।)

২.৪ চর্যা নং ১ৰ মূল পাঠ, শব্দার্থ আৰু ভাবার্থ

চর্যা নং 1— *ৰাগ-পটমঞ্জৰীঃ লুইপাদানাম্*

কাআ তৰুবৰ পঞ্চ বি ডাল।
চঞ্চল চীএ পইঠো কাল।।
দিঢ় কৰিঅ মহাসুহ পৰিমাণ।
লুই ভণই গুৰু পুচ্ছিঅ জাণ।
সঅল সমাহিঅ কাহি কৰিঅই।
সুখ দুখেতেঁ নিচিত মৰিআই।।
এড়িএউ ছান্দক বান্ধ কৰণক পাটেৰ আস।
সুন্নপাখ ভিড়ি লাহুৰে পাস।।
ভণই লুই আম্হে ঝাণে দিঠা।
ধমণ চমণ বেণি পাণ্ডি বইঠা।।

- **শব্দার্থ ঃ** কাআ — কায়া, শৰীৰ; পঞ্চ — পাঁচ; পাঁচবিধ কর্মেন্দ্রিয়
  চীএ — চিত্ত; পইঠো — প্ৰৰিষ্টঃ প্ৰৱেশ কৰে
  কাল — সময়; ধ্বংসকাৰী শক্তি
  দিঢ় — দৃঢ়
  পৰিমাণ — পৰিমাণয়; প্ৰমাণ কৰা
  ভণই — ভণতি; কয়
  পুচ্ছিঅ — সুধি-পুছি; জাণ — জানি লোৱা
  সঅল — সকল
  সমাহিঅ — সমাধিৰ দ্বাৰা, ধ্যানৰ দ্বাৰা
  কাহি — কেনেকৈ, কেনেদৰে
  কৰিঅই — কৰা হয়
  মৰিআই — মাৰে; ছান্দক, ছান্দ —কামনা-বাসনা
  কৰণ — ইন্দ্রিয়; পাটেৰ — পটুতা
  আস — আশা
  সুন্নপাখ — শূন্যপক্ষ শূন্যমার্গ, নৈৰাত্ম ধর্ম
  ভিড়ি — ভিত্তি; লাহুৰে — লোৱা
  পাস — ওচৰ; ঝাণ — ধ্যান
  দিঠা — দেখা; ধমণ — উশাহ, বায়ু, বতাহ
  চমণ — নিশাহ, মনোজগত; বেণি — দুই
  পাণ্ডি — পাটী, আসন; বইঠা — বহা, উপৰিষ্ট হোৱা

- **ভাবার্থ ঃ** গছৰূপী শৰীৰত পাঁচটা ডাল (কর্মেন্দ্রিয়) আছে। চঞ্চল চিত্তত ৰিপু অর্থাৎ ধ্বংসকাৰী শক্তিয়ে সহজে প্রবেশ কৰে। চিত্তক দৃঢ় কৰি মহাসুখ লাভ কৰিব পাৰি। লুইপাদে কয় গুৰুক সুধি সকলোবোৰ জানি ল'ব লাগে। জীৱনত সুখ-দুখ আছে আৰু মৃত্যুও নিশ্চিত। কামনা-বাসনা আৰু ইন্দ্রিয়ৰ তৃপ্তিৰ আশা জীৱনৰ দুখৰ কাৰণ। শূন্যমার্গ বা নৈৰাত্মা-তত্ত্বই জীৱক মহাসুখৰ ওচৰ চপাই নিয়ে। লুইপাদে ধ্যানৰ জৰিয়তে দেখা পাইছে, তেওঁ গ্রাহ্য-গ্রাহক দুয়োবিধৰ ওপৰত আসন পাৰি বহিছে।

সিদ্ধাচার্য্য লুইপাদে এই চর্যাটিত শৰীৰক গছৰ লগত ৰিজাইছে। শৰীৰ ৰূপী এই গছৰ মুখ, হাত, ভৰি, গুহ্যদ্বাৰ আৰু মুত্রদ্বাৰ —এই পাঁচবিধ কর্মেন্দ্রিয় হ'ল পাঁচটা ডাল। পার্থিব কামনা-বাসনা, ভোগ-বিলাসৰ দুর্বাৰ আকর্ষণত মানুহৰ মন-প্রাণ সদায় চঞ্চল হৈ থাকে। সেই চঞ্চল চিত্তত ৰিপু অর্থাৎ ধ্বংসকাৰী শক্তি সহজে সোমাই পৰিব পাৰে, যাৰ ফলত জীৱই নানা ধৰণৰ দুখ-যাতনা ভোগ কৰিবলগীয়া হয়। এই দুখ-যাতনাৰ পৰা নিস্তাৰ লভি মহাসুখ বা নিত্যানন্দ লাভ কৰাৰ একমাত্র উপায় হ'ল সংযমৰ দ্বাৰা চঞ্চলতা দূৰ কৰি চিত্তক দৃঢ় কৰি তোলা। লুইপাদে কয়, গুৰুক সুধি এই সকলোবোৰ জানি ল'ব লাগে। গুৰুক নভজাকৈ তত্ত্বকথা জানিব বা বুজিব নোৱাৰি। সকলো প্রকাৰৰ ধ্যান-সমাধি- যোগ সাধনা কিয় কৰিব লাগে? সকলো জীৱৰে সুখ-দুখ, জন্ম-মৃত্যু চিৰ সহচৰ। মায়া-মোহ, কামনা-বাসনা, ভোগবিলাস হ'ল জীৱনৰ দুখৰ মুল কাৰণ। এইবোৰৰ পৰা আঁতৰি থাকিব পাৰিলেহে জীৱই মহাসুখ লাভ কৰিবলৈ সমর্থবান হ'ব। শূন্যমার্গ বা জগতৰ অসাৰতা অর্থাৎ নৈৰাত্মা-তত্ত্ব আয়ত্ব কৰিব পাৰিলেহে মহাসুখ পায়। লুইপাদে এই সকলোবোৰ ধ্যানৰ জৰিয়তে বুজিব পাৰিছে। তেওঁ চিত্ত স্থিৰ আৰু দৃঢ় কৰি ভৰ আৰু মনোজগতৰ ওপৰত আসন পাতি উপবিষ্ট হৈছে অর্থাৎ জাগতিক মায়া-মোহৰ পৰা আঁতৰি আহিব পাৰিছে আৰু মহাসুখ লাভ কৰিছে।

২.৫ চর্যা নং ৮ৰ মূল পাঠ, শব্দার্থ আৰু ভাবার্থ

চর্যা নং ৪— *বাগ-দেৱক্রীঃ কম্বলাম্বৰপাদানাম্*
সোনে ভৰিলী কৰুণা নাৱী।
ৰূপা থোই নহিকে ঠাৰী।।
বাহ তু কামলি গঅণ উৱৈসেঁ।
গেলী জাম বহুড়ই কইসেঁ।।
খুণ্টি উপাড়ী মেলি লি কাচ্ছী।
বাহতু কামলি সদ্‌গুৰু পুচ্ছী।।
মাঙ্গঁত চড়িহিলে চউদিস চাহঅ।
কেডুআল নাহি কেঁ কি বাহবকে পাৰঅ।

বাম দাহিন চাপী মিলি মিলি মাগা।
বাটত মিলিল মহাসুখ সুঙ্গাঁ।।

- **শব্দার্থ ঃ**

সোনে — সোণৰ দ্বাৰা। শূন্যতাৰ দ্বাৰা অর্থত। সকলো কামনা-বাসনা, ভেদ-ভাব বর্জিত চিত্তই প্রজ্ঞা।এয়ে শূন্যতা।ইয়াকে সোণৰ লগত তুলনা কৰা হৈছে।

ভৰিলী — ভৰিছে; ভৰি পৰিছে।

কৰুণা — উপায়। ই পাৰিভাষিক শব্দ।

নাৰী — নাও; ইয়াত বোধিচিত্তক বুজাইছে।

ৰূপা — ৰূপ ধাতু; ইয়াত অবিদ্যা-চিত্তৰ পৰা জন্মা ৰূপ-জগতক বুজাইছে

থোহ — থ'বলৈ, ৰাখিবলৈ

নহিকে — নাই ঠাৰী — ঠাই

যাহ তু — তুমি যোৱা, চলোৱা

কামলি — সম্বোধনার্থে কম্বলাম্বৰপাদ গঅণ — গগন, আকাশ

উৱেসেঁ — উদ্দেশ্যে

গেলী — যোৱা, পূর্বতে যোৱা অর্থত

বহুড়ই — উলটে কইসেঁ — কেনেকৈ

খুণ্টি — খুটি

মেলি লি — মেলি ল, মুকলি কৰি ল

পুচ্ছী — সুধি মাঙ্গত — মার্গত, নির্বাণ পথত

চড়্হিলে — চড়িলে, উঠিলে চউদিস — চাৰিওফালে

চাহঅ — চাব লাগে।

কেডুআল —দাড়, বঠা; ইয়াত সৎগুৰুৰ বাণীক বুজাইছে

নাহি — নাই কি — কি দৰে

বাহবকে — বাবলৈ পাৰঅ — পাৰে

বাম দাহিণ — সোঁৱে-বাঁওৱে, গ্রাহ্য গ্রাহক, চন্দ্র-সূর্য্য

চাপী — ওচৰলৈ আহি মিলি মিলি —লগ লাগি

মাগা — মার্গ মহাসুখ সুঙ্গাঁ —মহাসুখৰ সঙ্গ।

- **ভাবার্থ ঃ** এই চর্যাটিৰ জৰিয়তে ৰচক সিদ্ধাচার্য্য কম্বলাম্বৰপাদে শূন্যতাৰ লগত কৰুণাৰ মিলন দেখুৱাইছে। ৰচকে কৰুণা ৰূপী ৰূপৰ নাওখনি শূন্যতা ৰূপী সোণেৰে ভৰাই লৈছে। ৰূপ অর্থাৎ দুখ-ক্লেশ-বেদনা আদি থ'বলৈ নাওখনিত ঠাই নাই। সোণ ৰূপী মহাসুখ স্বৰূপ শূন্যতাক লাভ কৰিব পাৰিলে কোনে ৰূপ ৰূপী দুখ বেদনা গ্রহণ কৰিব? সাধাৰণ লোকেও সোণ পালে ৰূপ নিবিচাৰে। সেইদৰে যোগীয়ে পৰম তত্ত্বৰ সন্ধান পালে অবিদ্যাৰ দ্বাৰা বিমোহিত হ'ব। নিবিচাৰে।

চর্যাকাৰে নিজকে সম্বোধন কৰি কৈছে— হে কামলি, তুমি চিত্তৰূপী নাও আকাশৰ পিনে অর্থাৎ নির্বাণ লাভৰ বাবে চলোৱা। সেই পথ ল'লে তোমাৰ জন্ম পুনৰাই ঘূৰি নাহিব। অর্থাৎ নির্বাণ লাভ কৰি অমৰত্ব লাভ কৰিব পাৰিবা। গতিকে জাগতিক মায়া-মোহ সদৃশ খুটিবোৰ উভালি নাৱৰ ৰছী খুলি পেলোৱা আৰু সৎ গুৰুক সুধি প্রকৃত পথৰ সন্ধান লৈ নাও মেলি দিয়া। এই সময়ত গুৰুৰ উপদেশ অতি প্রয়োজন। বঠা নহ'লে যেনেকৈ সঠিক দিশত নাও চলাব নোৱাৰি তেনেদৰে গুৰুৰ অবিহনে নির্বাণৰ পথ পাব নোৱাৰি। গুৰু হ'ল ধর্ম নাৱৰ কাণ্ডাৰী।

শত সহস্র নদী নানা ঠাইৰ মাজেৰে গৈ সাগৰত মিলি যোৱাৰ নিচিনাকৈ সোঁ-বাঁও ওচৰ চাপি গৈয়েই আমাৰ লক্ষ্য স্থান সৃষ্টি কৰিছে। সহজীয়া তত্ত্ব মতে সোঁ-বাঁও অর্থাৎ গ্রাহ্য গ্রাহক ভাৱ গুচাই বিৰমানন্দৰ সৈতে বোধি চিত্ত মিলি মার্গৰ সৃষ্টি হয়। তাতেই মহাসুখ বিৰাজমান। ইয়াত উল্লেখ থকা মতে সেই বাটতেই মহাসুখৰ সঙ্গ বা নৈৰাত্মাৰ সঙ্গ পোৱা যায়। সৎ গুৰুৰ পৰামর্শ অনুসৰিহে সেই মহাসুখত নিমজ্জিত হ'ব পাৰি।

২.৬ চর্যা নং ১৩ৰ মূল পাঠ, শব্দার্থ আৰু ভাবার্থ

চর্যা নং 10— *ৰাগ-দেশাখ ঃ কাহ্নুপাদানাম্*

নগৰ বাহিৰিৰে ডোম্বি তোহোৰি কুড়িআ।
ছই ছোই জাই সো বাহ্ম নাড়িআ।।
আলো ডোম্বি তোএ সম কৰিবে ম সাঙ্গ।
নিঘিণ কাহ্ন কাপালি জোই লাঙ্গ।।
এক সো পদমা চৌষঠ্ঠী পাখুড়ী।
তহিঁ চড়ি নাচঅ ডোম্বী বাপুড়ী।।
হালো ডোম্বী তো পুছমি সদভারে।
অসিম জাসি ডোম্বী কাহৰি নাৰেঁ।।
তান্তি বিকণঅ ডোম্বী অৱৰণা চঙ্গত্তা।
তোহোৰ অন্তৰে ছাড়ি নড়এত্তা।।
তু লো ডোম্বী হাঁউ কপালী।
তোহোৰ অন্তৰে মোএ ঘলিলি হাড়েৰ মালী।।
সৰবৰ ভাঙ্গীঅ ডোম্বী যাঅ মোলাণ।
মাৰমি ডোম্বী চলমি পৰাণ।।

- **শব্দার্থ ঃ**

নগৰ — বস্তু জগত, যি জগতত বিষয়ে ইন্দ্রিয়ৰ দ্বাৰা বোধ জন্মে

বাহিৰি — বাহিৰত, ইন্দ্রিয়াতীত স্থান

ডোম্বী — দুমুনী, এইটো এটা পাৰিভাষিক শব্দ। ইয়াত পৰিশুদ্ধ অৱধুতী নৈৰাত্মা-দেৱীক বুজোৱা হৈছে

নাড়িআ — মূৰ খুৰোআ গোড়া নৈষ্ঠিক ব্ৰাহ্মণ, ব্ৰহ্মচাৰী

পাখুড়ী — পাপৰি, পাহি

অইম — আহা

জাসি — যোৱা

বিকণঅ — বিক্রি কৰা; পৰিত্যা গ কৰা

অৱৰণা — আৱৰণ; বিষয়-বাসনা, মায়ামোহ

চঙ্গতা — মিছা ভাওঁ, অভিনয়

নড়এত্তা — নটসজ্জা, সংসাৰ

হাঁউ — অহম > অহকং > হকং > হঁউ, থাঁউ = মই

কপালী — যিয়ে মহাসুখক পালন কৰে

ঘলিলি — ললোঁ

মোলাণ — বোধিচিও

ভাঞ্জিঅ — ভাঙি

মাৰমি — মাৰোঁ

- **ভাৱার্থ ঃ** চর্যাকাৰ কাহ্নু পাদে কৈছে হে দুমুণী বা ডোম যুৱতী নগৰৰ বাহিৰত তোমাৰ ঘৰ। মুৰ খুৰোৱা গোড়া নৈষ্ঠিক ব্ৰাহ্মণবিলাকে তোমাক চুই চুই যায়। কবিয়ে আকৌ কৈছে— হে ডোম্বী মই তোমাৰ সঙ্গ ল'ম। মোক (কাহ্নু) উলঙ্গ যোগী বুলি ঘিণ নকৰিবা। অর্থাৎ বিষয় কামনা যুক্ত বস্তুজগতৰ আঁতৰত ডোম্বী ৰূপিনী নৈৰাত্মাদেৱী আছুতীয়াকৈ থাকে। বিষয়াভিলাষী বামুণৰূপী চঞ্চল চিত্তৰ যোগীসকলে নৈৰাত্মাদেৱীৰ অস্তিত্ব উপলব্ধি কৰিব পাৰিলেও সেই সত্তাক আয়ত্বলৈ আনিব নোৱাৰে। সহজীয়া পন্থীসকলেহে নির্বাণৰূপ মহাসুখ লাভ কৰিব পাৰে। পার্থিৱ সাজসজ্জা, কামনা-বাসনা, যাৱতীয় লোকাচাৰ আদি ত্যাগ কৰি কাহ্নু পাদে পৰিশুদ্ধ হৈ নির্বাণ লাভৰ অধিকাৰী হৈ পৰিছে।

  কাহ্নুপাদে কৈছে— 64টা পাহিযুক্ত পদুম ফুলৰ ওপৰত উঠি ডোম যুৱতী ৰূপী নৈৰাত্মাদেৱীয়ে নাচে। তাকে দেখি কবিয়ে তেওঁক সুধিছে কাৰ নাওত উঠি তেওঁ অহা যোৱা কৰে বুলি। তেওঁ চিত্তৰ সংবৃত্তিৰূপ নাওত আহাযোৱা কৰে নেকি? অর্থাৎ তন্ত্র শাস্ত্র মতে শৰীৰৰ ভিতৰত কেইবাটাও চক্র বা পদুম থাকে। যোগীসকলে সাধনাৰ বলত শ্রেষ্ঠতম পদুমত অধিষ্ঠিত হ'ব পাৰে। নৈৰাত্মাদেৱীয়ে চিত্তৰ সংবৃত্তিৰূপ নাওত উঠি অহাযোৱা নকৰে। কাৰণ তেওঁ ইন্দ্রিয়ৰ অতীত।

  ডোম যুৱতীক সম্বোধন কৰি কাহ্নু পাদে পুনৰ কৈছে- হে তাত বিক্রীকাৰিণী ডোম্বী, তুমি নানা আৱৰণেৰে আবৃতা। তোমাৰ কাৰণে মই নটসজ্জা ত্যাগ কৰোঁ। মই এজন কাপালিক, তুমি মোক আশ্রয় দিয়া। তোমাৰ কাৰণে মই হাড়ৰ মালা পিন্ধিছোঁ। অর্থাৎ ডোম্বীৰূপী নৈৰাত্মাদেৱীক অবিদ্যাৰূপ তন্ত্রী আদি বিষয় এৰি বিকাৰ শূন্য হোৱা বুলি কোৱা হৈছে। নৈৰাত্মাদেৱীৰ অনুকৰণত কবিয়েও মঞ্চসদৃশ সংসাৰ ত্যাগ কৰি মায়াযুক্ত হৈছে আৰু ডোম্বীৰ সঙ্গ সুখ লাভ কৰিবলৈ সক্ষম হোৱা বুলি নিজকে ভাবিছে।

এই চর্যাটিৰ জৰিয়তে চর্যাকাৰ কাহ্নুপাদে মহাসুখস্বৰূপ নৈৰাত্মাদেৱীক ডোম্বী বা ডোম সম্প্রদায়ৰ যুৱতী হিচাপে দাঙি ধৰিছে। নৈৰাত্মা যিদৰে ইন্দ্রিয়গ্রাহ্য নহয়, ডোম্বীও একেদৰে স্পৃশ্য নহয়। ইন্দ্রিয়গ্রাহ্য নহয় এই কথাষাৰিৰ তাৎপর্য্য হ'ল যে ইন্দ্রিয়জ কামনা-বাসনাই পৰিশুদ্ধ নৈৰাত্মাদেৱীক অর্থাৎ মহাসুখক ঢুকি নাপায়। ইন্দ্রিয়ক দমন কৰিব পাৰিলেহে ভক্তই পৰমপদ বা ব্রহ্মক লাভ কৰিব পাৰে। ইয়াত সমাজৰ দুটা সম্প্রদায় ভোম আৰু ব্রাহ্মণক অস্পৃশ্য আৰু স্পৃশ্যৰ ৰূপক-উপমা হিচাপে লোৱা হৈছে।

ডোম্বীয়ে কায়াৰূপ মায়া মোহৰ সাগৰসাঁতুৰি দুর্লভ শ্রেষ্ঠতম পদুমৰ মোলান খায়। একেদৰে কবিয়েও ভাবিছে যে তেৱোঁ মায়ামোহ ত্যাগ কৰি ডোম্বীৰ লগত মিলি যাব। ইয়াত মায়াৰূপ সৰোবৰক বাসনাময়, মায়ামোহেৰে আবৃত্ত সংসাৰৰ লগত তুলনা কৰা হৈছে।



চিন্তা-চর্চা কৰক ২.১

'চর্যাপদৰ আঁতিগুৰি' শাখাটিৰ লগতে প্রথম পাঠ্যবিষয়ৰ প্রথম অধ্যয়ৰ সহায়েৰে এই তিনিওটা চর্যাতে চর্যাপদৰ বিষয়বস্তু আৰু দর্শন, দেহবিচাৰৰ গীত আৰু বৰগীতৰ লগত থকা সাদৃশ্য, অসমীয়া ভাষাৰ প্রয়োগৰ বিষয়ে আলোচনা কৰাৰ লগতে চর্যা কেইটিত প্রতিফলিত হোৱা তৎকালীন অসমীয়া সমাজৰ চিত্র তথা কাব্যিক সৌন্দর্য্য বিচাৰ কৰক।



২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- চর্যাপদসমূহৰ যোগেদিয়েই অসমীয়া লিখিত সাহিত্য পৰম্পৰাৰ আৰম্ভ হৈছে। চর্যাপদ-সমূহ ছন্দোবদ্ধ আধ্যাত্মিক গীত। এই গীতসমূহত ধর্ম সম্পর্কীয় আচৰণীয় আৰু অনাচৰণীয় বিষয়ৰ নির্দেশ দিয়া আছে। পৰৱর্তী অসমীয়া গীতি-সাহিত্যত চর্যাপদৰ প্রভাৱ প্রচুৰ পৰিমাণে লক্ষ্য কৰা যায়।
- চর্যাপদসমূহ প্রাচীন অসমীয়া ভাষাৰ প্রথম সাহিত্যিক নিদর্শন। চর্যাত সাধন তত্ত্বৰ বাবে গুৰুৰ প্রয়োজনীয়তা স্বীকাৰ কৰা হৈছে। তদুপৰি চর্যাত তন্ত্র, যোগ, সহজীয়া আদি মার্গৰ কথা প্রতীক, উপমা, ৰূপক আদিৰ যোগেদি ব্যাখ্যা কৰা হৈছে।
- অধ্যায়টিত সন্নিৰিষ্ট চর্যা তিনিটাৰ যোগেদি সহজীয়া পন্থাৰ অতি সুন্দৰ প্রতিফলন ঘটিছে।



২.৮ অধিক জানিবলৈ

1) চক্রৱর্তী, মঞ্জু আৰু ডেকা হাজৰিকা, কৰবী (1992); *চর্যাপদ আৰু বৰগীত*; গুৱাহাটী ঃ বনলতা।
2) নেওগ, মহেশ্বৰ (1986); *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী ঃ বাণী মন্দিৰ।
3) ফুকন, কবীন (1995); *অসমীয়া কবিতাৰ প্রবাহ*(প্রথম খণ্ড); গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টৰ্ছ।
4) হাজৰিকা, পৰীক্ষিত (1987); *চর্যাপদ*; গুৱাহাটী ঃ ডালিমী প্রকাশ।
5) শর্মা, সত্যেন্দ্রনাথ (1995); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*; গুৱাহাটী।



২.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ চর্যাপদ মানে কি... ...চর্যাপদৰ বিভিন্ন দিশ, যেনে— বিষয়বস্তু, তত্ত্ব আদিৰ বিষয়ে চমুকৈ লিখিব লাগিব।

২নং প্রশ্নৰ উত্তৰ ঃ সহজযান ধর্মৰ চমু পৰিচয়... ...সেই ধর্মৰ লক্ষ্য কি... ...তাৰ আলোচনা।

৩নং প্রশ্নৰ উত্তৰ ঃ চর্যাপদত প্রতিফলিত সমাজৰ বিভিন্ন দিশ... ...সমাজৰ কি কি চিত্র ফুটি উঠিছে উদাহৰণসহ লিখিব লাগিব। অধিক জানিবলৈত উল্লেখ কৰা কিতাপসমূহ হাতপুথি হিচাপে ব্যৱহাৰ কৰিব পাৰিব।

৪নং প্রশ্নৰ উত্তৰ ঃ চর্যাপদত কি কি অলঙ্কাৰ ব্যৱহৃত হৈছে... ...উদাহৰণ বুজাই লিখিব লাগিব। অধিক জানিবলৈত উল্লেখ কৰা কিতাপসমূহ আপুনি হাতপুথি হিচাপে ব্যৱহাৰ কৰিব পাৰিব।



২.১০ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ অসমীয়া গীতি-সাহিত্যত চর্যাপদৰ স্থান নিৰূপণ কৰক।

প্রশ্ন ২ ঃ চর্যাপদত অসমীয়া ভাষাৰ বৈশিষ্ট্য কেনেদৰে প্রকাশ পাইছে উল্লেখ কৰক।

প্রশ্ন ৩ ঃ চর্যাপদৰ মাজেৰে সাহিত্যিক সৌন্দর্য্য কেনেদৰে প্রতিফলিত হৈ উঠিছে পর্যালোচনা কৰক।

প্রশ্ন ৪ ঃ চর্যাপদত ধর্মীয় সাধনতত্ত্বৰ কথা কেনেদৰে ব্যাখ্যা কৰা হৈছে আলোচনা কৰক।

প্রশ্ন ৫ ঃ চর্যাগীতৰ সৈতে দেহবিচাৰৰ গীত আৰু বৰগীতৰ সাদৃশ্য বিচাৰ কৰক।

প্রশ্ন ৬ ঃ চর্যাপদৰ মাজেৰে সমাজ-জীৱনৰ ছবি কিদৰে প্রতিভাত হৈ উঠিছে আলোচনা কৰক।

প্রশ্ন ৭ ঃ আপোনাৰ পাঠ্যবিষয়ৰ অন্তর্গত চর্যাকেইটিৰ ভাবার্থ ব্যাখ্যা কৰক।

*** ***** ***